**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 16-02-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

00000

১। অসম বিধান সভাৰ বাজেট অধিবেশন আৰম্ভ। ২০২৫-২৬ বিত্তীয় বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ৭ লাখ কোটি টকা অতিক্ৰমৰ বিষয়ে ৰাজ্যপালৰ সম্ভাৱনা।

২। বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল আজি অসমত উপস্থিত।

৩। তামুলপুৰত আয়োজিত অনুষ্ঠানত বাক্সা, ওদালগুৰি আৰু তামুলপুৰ জিলাৰ ৪ হাজাৰ ৮৬৮ গৰাকী সম্ভাব্য উদ্যোগীক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

৪। অসম লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ আজি ঘোষিত ফলাফলৰ তালিকা বাতিল।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি তৃতীয়খন খেলত অষ্ট্ৰেলিয়া আৰু শ্ৰীলংকা মুখামুখি।

00000

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে আজি অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়। ৰাজ্যপাল শ্ৰীআচাৰ্যই নিজৰ ভাষণৰ আৰম্ভণিতে ভাগৱত গীতাৰ বাণী আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মানৱতাবাদৰ আদৰ্শৰ কথা উল্লেখ কৰে। তেওঁ লগতে অসমৰ অৰ্থনৈতিক যাত্ৰাপথৰ বিষয়ে আলোকপাত কৰে। ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ২০২৫-২৬ বিত্তীয় বৰ্ষত ৭ লাখ কোটি টকা অতিক্ৰম কৰিব বুলি ৰাজ্যপালগৰাকীয়ে আশা প্ৰকাশ কৰে।

**বাইট (ৰাজ্যপাল)**

বিধানসভাৰ অন্তিমখন বাজেট অধিবেশনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, এ আই ইউ ডি এফ, ৰাইজৰ দল, চি পি আই এমৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি আহি শ্ল'গান দিয়াৰ লগতে প্লেকাৰ্ড প্ৰদৰ্শন কৰে। বিৰোধী সদস্যসকলে অধ্যক্ষৰ আসনৰ সন্মুখত বহি ৰাজ্যপালৰ ভাষণৰ প্ৰতিবাদ সাব্যস্ত কৰে। ৰাজ্যপালৰ ভাষণৰ পাছতে অধ্যক্ষই দিনৰ ১২ বজালৈ বিধানসভাৰ কাম-কাজ স্থগিত ঘোষণা কৰে। ১২ বজাত সদন পুনৰ মিলিত হোৱাত বিত্তমন্ত্ৰী অজন্তা নেওগে বিত্ত বিভাগৰ দুখন ৰাজপত্ৰিত অধিসূচনাৰ লগতে ২০২২-

২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধনী অধ্যাদেশ ২০২৬ আৰু মন্ত্ৰী যোগেন মহনে সমবায় বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। মন্ত্ৰী নন্দিতা গাৰ্লোছাই ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ২০২৩-২৪ বিত্তীয় বিভাগৰ প্ৰশাসনীয় প্ৰতিবেদন আৰু মন্ত্ৰী প্ৰশান্ত ফুকনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰশাসনীয় প্ৰতিবেদন দাখিল কৰে। ইয়াৰ পাছতে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন আৰু সমৰ্থন কৰা হয়। মন্ত্ৰী অজন্তা নেওগে আজি ২০২৫-২৬ বৰ্ষৰ মঞ্জুৰিৰ বাবে পৰিপূৰক দাবী আৰু বিনিয়োজনসমূহ উত্থাপন কৰে। ইয়াৰ পাছতে বিধানসভাৰ আজিৰ দিনটোৰ কাৰ্যক্ৰমণিকাৰ অন্ত পৰে।

উল্লেখযোগ্য যে চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনত কাইলৈ ২০২৬-২৭ বৰ্ষৰ অন্তৰৱৰ্তী লেখানুদান উত্থাপন কৰা হ'ব। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান দাখিল কৰিব। বাজেট অধিৱেশনত পৰৱৰ্তী তিনি বা ছমাহ ৰাজ্যখন চলিবৰ বাবে প্ৰয়োজনীয় পুঁজিত মঞ্জুৰি দিয়া হ'ব।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দল আজি সন্ধিয়া অসমত উপস্থিত হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ নেতৃত্বত অহা ১২ জনীয়া দলটোক ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ লগতে কেইবাগৰাকীও বিষয়াই বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত আদৰণি জনায়। দলটোৱে কাইলৈ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলৰ সৈতে আলোচনা মিলিত হ'ব আৰু বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ ল'ব। দলটোৱে পৰহিলৈ বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে নিৰ্বাচনৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। দলটোৱে ১৮ ফেব্ৰুৱাৰীত ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। সেইদিনা বিয়লি দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

ooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি তামুলপুৰ জিলাত আয়োজিত অনুষ্ঠানত বাক্সা, ওদালগুৰি আৰু তামুলপুৰ জিলাৰ সম্ভাব্য উদ্যোগীসকলক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। এই অনুষ্ঠানত তামুলপুৰ জিলাৰ এহেজাৰ ১৩১ গৰাকী, বাক্সা জিলাৰ এহেজাৰ ২৩৩ গৰাকী আৰু ওদালগুৰি জিলাৰ দুহেজাৰ ৪০৪ গৰাকী হিতাধিকাৰীকে ধৰি মুঠ ৪ হাজাৰ ৮৬৮ গৰাকী হিতাধিকাৰীক ধন বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত ধনৰাশি বিতৰণ কৰি দিয়া ভাষণত এই আঁচনিয়ে যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰি তোলাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। এই অভিযানৰ জৰিয়তে ৰাজ্যৰ ৭৫ হাজাৰ যুৱক-যুৱতী উপকৃত হ'ব আৰু এতিয়ালৈকে ৪৮ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিছে বুলি প্ৰকাশ কৰে।

**বাইট (চি এম)**

এই অনুষ্ঠানত বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰী, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু তামুলপুৰৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ ৪ খন নৱনিৰ্মিত দলং মুকলি কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে সমাগত নিৰ্বাচনত বিটিচিৰ ১৫ খন আসনৰ ভিতৰত বিজেপিয়ে ৪ৰ পৰা ৬ খনত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি উল্লেখ কৰে। বাকী আসনসমূহৰ সন্দৰ্ভত বিপিএফ আৰু ইউ পি পি এল দলক আলোচনা কৰি ল'বলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

কাইলৈ ডিফুত কাৰ্বি আংলং, ডিমা হাচাও আৰু পশ্চিম কাৰ্বি আংলঙৰ মুঠ এহেজাৰ ৯৪৬ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে কাইলৈ ডিফুৰ কে এ এছ এ ক্ৰিকেট ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডঃ তুলিৰাম ৰংহাং আৰু মন্ত্ৰী নন্দিতা গাৰ্লোচাই অংশ ল'ব। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত কাৰ্বি আংলং জিলাৰ এহেজাৰ দুগৰাকী, ডিমা হাচাওৰ ৪৮৭ গৰাকী আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ৪৫৭ গৰাকী উদ্যোগীৰ মাজত আৰ্থিক সাহায্য বিতৰণ কৰা হ'ব।

ooooo

অসম লোকসেৱা আয়োগে আজি ৰাজ্য চৰকাৰৰ বিভিন্ন পদত নিযুক্তিৰ বাবে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা-২০২৪ৰ ফলাফলসমূহ ঘোষণা কৰিছে। এই পৰীক্ষাত ২৮৮ গৰাকী পৰিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। এইবাৰ অসম অসামৰিক সেৱাত নিহাৰ ৰঞ্জন ডেকা আৰু অসম আৰক্ষী সেৱাত ভাস্কৰ জ্যোতি মেধীয়ে প্ৰথম স্থান লাভ কৰিছে। প্ৰাৰম্ভিক পৰীক্ষাত ৪১ হাজাৰ ৬১২ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। মূল পৰীক্ষাত ৩ হাজাৰ ২৪৩ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ৮৭৯ গৰাকী প্ৰাৰ্থীক মৌখিক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ কৰা হৈছিল। আয়োগে ৪৫ টা অসম অসামৰিক সেৱা, ২০ অসম আৰক্ষী সেৱা, ৫১ টা কৰ পৰিদৰ্শক, ৯ টা খণ্ড উন্নয়ন বিষয়াসহ ভিন্ন সেৱাৰ পদসমূহত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ বাছনি তালিকা আজি প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাৰ পাছত যোৱা ২০ জানুৱাৰীৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ মৌখিক সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল।

ooooo

অসম বিধানসভাৰ কেইবামহলীয়া নতুন সচিবালয় ভৱনটো আজি উদ্বোধন কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই ভৱন উদ্বোধন কৰে। সচিবালয় ভৱনৰ লগতে ডিজিটেল সংগ্ৰহালয় আৰু কৃত্ৰিম বুদ্ধিমত্তাৰে পৰিচালিত অসম বিধানসভাৰ ডিজিটেল ব্যৱস্থা, আলিচা, এ আই ফৰ লেজিছলেটিভ ইণ্টেলিজেন্স ছিষ্টেম অৱ আছাম উদ্বোধন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সন্তুষ্টি ব্যক্ত কৰে। বহুমহলীয়া অসম বিধানসভাৰ সচিবালয় ভৱনটোৱে বিধানসভাৰ কাৰ্যক্ৰমণিকা নিয়াৰিকৈ পৰিচালনা কৰাত অৰিহণা যোগাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তদুপৰি অসম বিধানসভাৰ প্ৰায় ১০০ বছৰীয়া পৰিক্ৰমাৰ প্ৰতিখন আইন, সিদ্ধান্ত আদি এই সংগ্ৰহালয়ৰ পৰা আগ্ৰহীসকলে লাভ কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমীয়া, বড়ো, হিন্দী আৰু ইংৰাজী ভাষাত তথ্যসমূহ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই অনুষ্ঠানত বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু উপাধ্যক্ষ ডাঃ নোমল মমিনৰ লগতে আন কেইবাগৰাকী নেতা উপস্থিত থাকে।

ooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত আজি কামৰূপ জিলা আৰু ছেচন আদালতত গুৰুত্বপূৰ্ণ শুনানি অনুষ্ঠিত হয়। গোচৰটোৰ ৩ জন অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ জ্যোতি গোস্বামীয়ে দাখিল কৰা পৃথক-পৃথক আবেদনৰ শুনানি গ্ৰহণ কৰি আদালতে অহা ২ মাৰ্চত ৰায়দানৰ দিন ধাৰ্য কৰে। উল্লেখযোগ্য যে বিশেষ তদন্তকাৰী গোটে বেংক একাউণ্ট জব্দ কৰাৰ বিৰোধিতা কৰাৰ লগতে গোচৰৰ যাৱতীয় নথি-পত্ৰ লাভ নকৰা বুলি শ্যামকানু মহন্তই আদালতত আবেদন দাখিল কৰিছে। একেদৰে সিদ্ধাৰ্থ শৰ্মাই গোচৰৰ পৰা তেওঁক ৰেহাই দিয়া আৰু ছিংগাপুৰৰ আদালতৰ তথ্য প্ৰদান কৰাৰ বাবে আবেদন কৰিছিল। শেখৰজ্যোতি গোস্বামীয়েও তেওঁক গোচৰটোৰ পৰা ৰেহাই দিয়াৰ বাবে আদালতত নতুনকৈ আবেদন দাখিল কৰিছে। এই আটাইকেইখন আবেদন সন্দৰ্ভত আদালতে আজি শুনানি গ্ৰহণ কৰে। লোক অধিবক্তা জিয়াউল কামাৰে এই আবেদনসমূহৰ তীব্ৰ বিৰোধিতা কৰে। অধিবক্তাগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট (জিয়াউল কামাৰ)**

০০০০০

আমালৈ এইমাত্ৰ অহা বাতৰি মতে অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ মুখ্য নিয়ন্ত্ৰকে এটা বিবৃতিযোগে আজি প্ৰকাশিত ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল বাতিল কৰিছে। শীঘ্ৰেই নতুন তালিকা ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০

সমসমাগত ৰাজ্য বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহৰ মাজত নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি পাইছে। বিজেপিয়ে চলিত মাহতে মিত্ৰতা আৰু প্ৰাৰ্থী সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব বুলি প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২০ ফেব্ৰুৱাৰীত পুনৰ অসম ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে অহা ১৮ ফেব্ৰুৱাৰীত কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী অসমলৈ আহিব। ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও নেতা তথা সদস্যই দলীয় দায়িত্বৰ পৰা অব্যাহতি লোৱাৰ লগতে আন দলতো যোগদান কৰা পৰিলক্ষিত হৈছে। অসম ৰাজ্যিক কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ নেতা ভূপেন বৰাই আজি দলটোৰ পৰা পদত্যাগ কৰে। নিৰ্বাচনী প্ৰচাৰ সমিতিৰ অধ্যক্ষৰ পদত থকা শ্ৰীবৰাই ইতিমধ্যে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ শীৰ্ষ বিষয়ালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছে। দলৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে নেতাগৰাকীক পদত্যাগ পত্ৰ প্ৰত্যাহাৰৰ বাবে আহ্বান জনোৱা বুলি প্ৰকাশ কৰিছে। শীৰ্ষ কংগ্ৰেছ নেতা জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰা মতে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে পদত্যাগ পত্ৰ গ্ৰহণ কৰা নাই। দলটোৰ বিধায়ক আব্দুল ৰচিদ মণ্ডলে আজি বিয়লি ৰাইজৰ দলত যোগদান কৰিব। কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদে কাইলৈ ৰাইজৰ দলত যোগদান কৰাৰ কথা।

০০০০০

কাৰ্বি জনগোষ্ঠীৰ কলাকৃষ্টিৰ সংৰক্ষণ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে আজিৰে পৰা কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত পাঁচদিনীয়া কাৰ্যসূচীৰে ৫২ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। কাৰ্বি

লোকনৃত্য, গীত, সাজপাৰ আৰু পৰম্পৰাগত খেল-ধেমালিৰ সংৰক্ষণ, সংবৰ্ধন আৰু প্ৰসাৰৰ বাবে কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত এই যুৱ মহোৎসৱৰ আয়োজন কৰি অহা হৈছে। এইবাৰ কাৰ্বি যুৱ মহোৎসৱত খিলঞ্জীয়া ৰন্ধনশৈলী, খাদ্যসম্ভাৰ, বাঁহ-বেতৰ শিল্পৰ প্ৰদৰ্শনী আদিৰ আয়োজন কৰা হৈছে। জিলাখনৰ কাৰ্বি সাংস্কৃতিক সমাজৰ মাণ্ডলিক সমিতিৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয় তথা অসমৰ ডিমা হাচাও, নগাঁও, হোজাই আৰু বিশ্বনাথ জিলাৰ মাণ্ডলিক সমিতিৰ যুৱক-যুৱতীসকলে এই মহোৎসৱত অংশ লৈছে বুলি উদ্যোক্তাসকলে জনাইছে। এই মহোৎসৱ সন্দৰ্ভত এয়া ডিফুৰ পৰা আমাৰ কাৰ্বি আংলঙৰ সংবাদদাতা কাংবুৰা ছিংনাৰ-

**ভইচকাষ্ট (কাংবুৰা ছিংনাৰ)**

০০০০০

গুৱাহাটীৰ পানবজাৰৰ শুক্ৰেশ্বৰস্থিত বালিচন্দা সংঘৰ সৌজন্যত অহা ২৮ মাৰ্চত জনাৰ্দন মন্দিৰ প্ৰাংগণত সদৌ অসম ভিত্তিত কামৰূপী লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৪ বছৰ অনূৰ্ধৰ নিম্ন শাখা আৰু ১৪ বছৰ ঊৰ্ধৰ উচ্চ শাখাৰ বাবে প্ৰতিযোগিতাৰ ভৰ্তি মাচুল ২০০ টকা ধাৰ্য কৰা হৈছে। যোগদানৰ প্ৰ-পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ২০ মাৰ্চ ধাৰ্য কৰা হৈছে। বিতং তথ্যৰ বাবে আগ্ৰহীসকলে ৯৯৫৪০-১০৪৪৫ নম্বৰত যোগাযোগ কৰিব পাৰে।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত হ'বলগীয়া তৃতীয়খন খেলত অষ্ট্ৰেলিয়াই শ্ৰীলংকাৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত দ্বিতীয়খন খেলত ইংলেণ্ডে ইটালিক ২৪ ৰানত পৰাজিত কৰে। প্ৰথমে বেট ধৰি ইংলেণ্ডে নিৰ্ধাৰিত অভাৰত ৭টা উইকেটৰ বিনিময়ত ২০২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইটালিয়ে নিৰ্ধাৰিত অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৭৮ ৰানহে কৰিবলৈ সমৰ্থ হয়।

দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত আফগানিস্তানে ইউনাইটেড আৰৱ আমিৰি ৰাষ্ট্ৰক ৫ উইকেটত পৰাজিত কৰে। প্ৰথমে বেট ধৰি ইউ এ ইয়ে নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ১৬০ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আফগানিস্তানে ১৯ অভাৰ আৰু দুটা বলত ৫ উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে।

০০০০০

বজালী জিলাৰ ভালুকগাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী মহেন্দ্ৰ নাথ কাকতিৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ।

০০০০০

সমাপ্ত